জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৪৪/২০২১**

## চতিয়া বিধানসভা সমষ্টিত একাধিক প্ৰকল্প উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# নাগশংকৰ ক্ৰীড়া ষ্টেডিয়ামৰ লগতে শলগুৰি-কন্যকা কৃষিপাম সংযোগী পথৰ উদ্বোধন মুখ্যমন্ত্ৰীৰ

## ভৰলীপৰীয়া কন্যকা কৃষিপাম পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

**দিছপুৰ, ২ ছেপ্টেম্বৰ ঃ** দিনজোৰা কাৰ্যসূচীৰে চতিয়া বিধানসভা সমষ্টিত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি একাধিক উন্নয়নমূলক প্ৰকল্পৰ শুভ উদ্বোধন কৰাৰ লগতে নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰী শৰ্মাই বিশ্বনাথ জিলাৰ নাগশংকৰত ৰাজ্য চৰকাৰৰ 'ছিগনেচাৰ প্ৰকল্প'ৰ অধীনত ১০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা এটা অত্যাধুনিক ক্ৰীড়া ষ্টেডিয়াম মুকলি কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ষ্টেডিয়ামে নাগশংকৰৰ ঐতিহ্যত নতুন অধ্যায়ৰ সূচনা কৰি অঞ্চলটোৰ ক্ৰীড়া আন্তঃগাঁথনি অধিক সবল কৰি তুলিলে। অঞ্চলটোৰ সামগ্ৰিক বিকাশৰ বাবে স্থানীয় বিধায়ক পদ্ম হাজৰিকাই গ্ৰহণ কৰা পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে এই ষ্টেডিয়ামৰ কাষতে এটা ইনড'ৰ ষ্টেডিয়াম আৰু ছুইমিং পুল নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ১০ কোটি টকাৰ অনুদান আগবঢ়াব বুলি ঘোষণা কৰে। এই অনুষ্ঠানতে নাগশংকৰ উন্নয়ন সমিতিয়ে প্ৰদান কৰা স্মাৰকপত্ৰৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অঞ্চলটোত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰা তথা নাগশংকৰ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীতকৰণৰ বিষয়টো শিক্ষামন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীৰ সৈতে আলোচনাৰ ভিত্তিত উপযুক্ত পদক্ষেপ লোৱা হ'ব বুলি কয়। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ সৈতে জলসম্পদ আৰু তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী তথা বিশ্বনাথ আৰু শোণিতপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকা, তেজপুৰৰ সাংসদ পল্লৱলোচন দাস, বিধায়কসকল ক্ৰমে পদ্ম হাজৰিকা, প্ৰমোদ বৰঠাকুৰ, পৃথ্বীৰাজ ৰাভা, কৃষ্ণকমল তাঁতী আৰু গণেশ লিম্বু উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মা শোণিতপুৰ জিলাৰ জামুগুৰিহাটত উপস্থিত হৈ নিৰ্মীয়মান বাৰেচহৰীয়া ভাওনা ক্ষেত্ৰৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে নিৰ্মাণকাৰ্যৰ অগ্ৰগতিত সন্তুষ্টি প্ৰকাশ কৰি এইক্ষেত্ৰত স্থানীয় বিধায়কগৰাকীয়ে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। তেওঁ কয় যে বাৰেচহৰীয়া ভাওনাৰ ঐতিহ্য ৰক্ষাৰ বাবে সকলোৰে উপযুক্ত পদক্ষেপ ল'ব লাগিব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে সহযোগিতাৰ হাত আগবঢ়াই যাব। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ পৰিদৰ্শনৰ সময়ত বাৰেচহৰীয়া ভাওনাস্থলীৰ পট্টাদাৰসকলৰ লগতে বাৰেচহৰীয়া ৰাইজ সভা, শ্ৰীমন্ত শংকৰ নামধৰ্ম সমাজকে ধৰি একাধিক সংগঠনৰ প্ৰতিনিধিয়ে তেওঁক সম্বৰ্ধনা জনায়।

**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

দিনজোৰা কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° শৰ্মাই লোকনিৰ্মাণ বিভাগে চতিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত শলগুৰিৰ পৰা ভৰলীপৰীয়া কন্যকা বহুমুখী কৃষি পামলৈ নিৰ্মাণ কৰা ৬.৫ কিলোমিটাৰ দৈৰ্ঘৰ এটা পথৰো উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ 'ছিগনেচাৰ প্ৰকল্প'ৰ অধীনত ৯.৯৯ কোটি টকা ব্যয়ৰে এই পথটো নিৰ্মাণ কৰা হৈছে। এই পথৰ লগতে মুখ্যমন্ত্ৰীয়ে কন্যকা কৃষিপামলৈ যোৱা এখন তোৰণো মুকলি কৰে।

ইয়াৰ পিছতে ভৰলীপৰীয়া কন্যকা কৃষিপামত উপস্থিত হৈ মুখ্যমন্ত্ৰী শৰ্মাই কৃষিপামখনত ৰূপায়িত কৃষিকাৰ্যৰ বুজ লয়। স্থানীয় বিধায়ক পদ্ম হাজৰিকাই মুখ্যমন্ত্ৰীগৰাকীক কৃষিপামখনত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ সম্পৰ্কে বিতংভাৱে অৱগত কৰে। এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কৃষিপামখনত নিৰ্মাণ কৰা এটা অত্যাধুনিক অতিথিশালা, এখন প্ৰৱেশ তোৰণ আৰু উন্নত প্ৰজাতিৰ 'গিৰ' গাই গৰুৰ এখন পামো মুকলি কৰে। এই পামত চেউৰীসহ ৫৬ টা গাই গৰু বৰ্তমান ৰখা হৈছে।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে মৰণাকুৰি গাঁওস্থিত কন্যকা বহুমুখী পামৰ হৰিমন্দিৰ নামঘৰত সেৱা লৈ ৰাজ্যবাসীৰ কুশল-মঙ্গলাৰ্থে প্ৰাৰ্থনা কৰে। এই নামঘৰতে স্থানীয় ৰাইজে তেওঁক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখিত দাবী অনুসৰি জীয়াভৰলী নদীৰ খহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে এখন বিশেষ আঁচনি হাতত লোৱা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। স্থানীয় বিধায়ক পদ্ম হাজৰিকাৰ সৈতে আলোচনা কৰি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই বানপানী শুকোৱাৰ পাছতে এই দিশত যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মৰণাকুৰি গাঁৱৰ লগতে ইয়াৰ কাষৰীয়া গাঁওসমূহৰ যিসকল লোকে এতিয়াও মাটিৰ পট্টা পোৱা নাই তেওঁলোকৰ পট্টাসমূহ অহা ৬ মাহৰ ভিতৰত প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। স্মাৰকপত্ৰত উল্লেখিত অন্যান্য বিষয়সমূহো চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**বঃভাঃ**

**২/০৯/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in